যিয়ে কোনো এনেকুৱা বেমাৰী ব্যক্তিক সাক্ষাৎ কৰিবলৈ যায়, যাৰ মৃত্যুৰ সময় উপস্থিত হোৱা নাই, তেনেকুৱা বেমাৰীৰ ওচৰত এই দুআটো সাতবাৰ পাঠ কৰিব লাগেঃ আছআলুল্লাহাল আজীম, ৰাব্বাল আৰশ্বিল আজীম, আঁইয়্যাশ্বফীক। ফলত আল্লাহে তাক সেই বেমাৰৰ পৰা শ্বিফা দান কৰিব।

আব্দুল্লাহ ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু
আলাইহি অছাল্লামে কৈছেঃ "যিয়ে কোনো এনেকুৱা বেমাৰী ব্যক্তিক সাক্ষাৎ কৰিবলৈ যায়,
যাৰ মৃত্যুৰ সময় উপস্থিত হোৱা নাই, তেনেকুৱা বেমাৰীৰ ওচৰত এই দুআটো সাতবাৰ পাঠ
কৰিব লাগেঃ আছআলুল্লাহাল আজীম, ৰাব্বাল আৰশ্বিল আজীম, আঁইয়্যাশ্বফীক। ফলত আল্লাহে
তাক সেই বেমাৰৰ পৰা শ্বিফা দান কৰিব।" [ছহীহ] [(আবু দাঊদ, তিৰমিজী, আৰু আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, যিয়ে কোনো মুছলিম বেমাৰী ব্যক্তিক চাবলৈ যায়, যিয়ে মৃত্যুশয্যাত উপনীত হোৱা নাই, তেনেকুৱা ব্যক্তিক চাবলৈ গৈ যদি উক্ত দুআটো সাতবাৰ পাঠ কৰে, তেন্তে আল্লাহে তাক সেই বেমাৰৰ পৰা সুস্থ কৰি দিয়ে তথা আৰোগ্য প্ৰদান কৰে।

http://sunnah.global/hadeeth/as/show/6270